# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-12-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ooooo

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশতে সু-শাসন দিৱস পালন কৰা হৈছে। অসমতো ভাৰত ৰত্ন সন্মানেৰে বিভুষিত ৰাজনীতিবিদগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত সু-শাসন দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ আদাবাৰীত থকা অটল উদ্যানত অটল স্মৃতি মূৰ্তি উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে বাজপেয়ীৰ জীৱন, কৰ্ম তথা দেশৰ প্ৰতি তেওঁৰ অৱদান আধাৰিত এখন প্ৰদৰ্শনী মুকলি কৰে। ড° শৰ্মাই ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বেলতলাৰ বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত সু-শাসন দিৱসৰ আন এটা কাৰ্যসূচীত ভাগ লয়।

বাক্সা জিলাৰ শান্তি বজাৰত বিজেপিৰ শালবাৰী মণ্ডলৰ উদ্যোগত আয়োজন কৰা সু-শাসন দিৱসৰ কাৰ্যসূচীত ভৱানীপুৰৰ বিধায়ক ফণীধৰ তালুকদাৰে অংশগ্ৰহণ কৰে। এই উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে এটা পদযাত্ৰাও উলিওৱা হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাতশিঙিমাৰীৰ জিলা বিজেপিৰ কাৰ্যালয়ত সু-শাসন দিৱস উপলক্ষে অটল বিহাৰী বাজপেয়ীৰ জীৱন আৰু কৰ্মৰাজী সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়।

ooooo

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি খ্ৰীষ্টধৰ্মী লোকসকলৰ পবিত্ৰ উৎসৱ বৰদিন ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে উদযাপন কৰা হৈছে। এই উপলক্ষে গীৰ্জাঘৰসমূহ সমূহীয়া প্ৰাৰ্থনাৰ লগতে কেৰলৰ ধ্বনিৰে মুখৰিত হৈ উঠিছে। গুৱাহাটীৰ পাণবজাৰত থকা খ্ৰীষ্ট চাৰ্চ, ব্যাপ্টিষ্ট চাৰ্চ, কাহিলীপাৰা, চানমাৰি, খানাপাৰা আদি স্থানত থকা গীৰ্জাঘৰসমূহত আজি দুপৰীয়া আৰু সন্ধিয়া বৰদিনৰ সমূহীয়া প্ৰাৰ্থনা অনুষ্ঠিত হৈছে। নিশালৈ ঠায়ে ঠায়ে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে।

ধুবুৰী জিলাৰ বিভিন্ন স্থানত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে ব্যাপক উৎসাহ-উদ্দীপনাৰে বৰদিন পালন কৰিছে। এই উপলক্ষে কালিৰেপৰা গীৰ্জাসমূহৰ লগতে নিজ নিজ বাসগৃহসমূহ ৰং-বিৰঙৰ আলোকসজ্জাৰে সজ্জিত কৰি তুলিছে। জিলাখনৰ কোনো কোনো ঠাইত ধৰ্মীয় কাৰ্যসূচীৰ লগতে সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৰদিন উপলক্ষে ভোজ ভাতৰ আয়োজন কৰাৰ লগতে মিঠাই, পিঠা-পনা আদি বিতৰণ কৰা হৈছে।

চিৰাং জিলাৰ শতবৰ্ষ গৰকা বামুণগাঁও গীৰ্জাত বড়ো খ্ৰীষ্টধৰ্মী লোকসকলে বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰে। কোকৰাঝাৰ চহৰতো গীৰ্জাঘৰসমূহ আটকধুনীয়াকৈ সজাই পৰাই তোলা হৈছে। ৰাজ্যৰ অন্যতম পুৰণি গীৰ্জাঘৰ শিৱসাগৰৰ কেন্দ্ৰীয় ব্যাপ্টিষ্ট মণ্ডলীত বৰদিনৰ লগত সংগতি ৰাখি আজি বিশেষ উপাসনাৰ আয়োজন কৰা হয়।

বৰদিন উপলক্ষে উত্তৰ-পূৰ্বাঞ্চলৰ আন আন ৰাজ্যৰ শতাধিক গীৰ্জাত সমাজৰ শান্তি আৰু সমৃদ্ধিৰ কামনাৰে প্ৰাৰ্থনা কৰা হৈছে। কোহিমা, আইজল, তুৰা আদিকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানৰ গীৰ্জা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, বাসগৃহ, দোকান-পোহাৰ, উদ্যান আৰু বাট-পথসমূহ ৰং-বিৰঙী আলোকসজ্জা আৰু বিভিন্ন ফুলেৰে সুশোভিত কৰি তোলা হৈছে।

ooooo

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে দুজন জেহাদীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰক সামগ্ৰী জব্দ কৰি কুটাঘাতৰ এটা ষড়যন্ত্ৰ ব্যৰ্থ কৰিছে। অসম আৰক্ষীৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰকাশ কৰা অনুসৰি বিশেষ কাৰ্যবাহিনীয়ে যোৱা নিশা কোকৰাঝাৰ জিলাৰ পৰা দুজন জেহাদীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোক দুজনক আব্দুল জাহিৰ শ্বেইখ আৰু ছবিৰ মিৰ্ধা বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা এজন জেহাদীৰ স্বীকাৰোক্তিৰ ভিত্তিত চাৰিটা হস্তনিৰ্মিত ৰাইফল,৩৪ জাই গুলী, ২৪টা খালী কাৰ্টিজ, গ্ৰেণেড আৰু বুজন পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি আৰক্ষী মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তৰ নেতৃত্বত বিশেষ কাৰ্যবাহিনীয়ে প্ৰঘাট অভিযানৰ অধীনত এতিয়ালৈকে ৰাজ্যখনত ১০ জন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰিছে।

ooooo

শিৱসাগৰ জিলাৰ পানীদিহিং পক্ষী অভয়াৰণ্যত এইবাৰ প্ৰথমবাৰৰ বাবে পানীদিহিং মহোৎসৱ অনুষ্ঠিত হৈছে। আজি পুৱা পক্ষী নিৰীক্ষণেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। স্থানীয় কেইগৰাকীমান উদ্যমী যুৱকৰ প্ৰচেষ্টাত বিবিধ থলুৱা আৰু পৰিভ্ৰমী পক্ষীৰ আগমন ঘটা পানীদিহিং পক্ষী অভয়াৰণ্যক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। বিভিন্ন প্ৰান্তৰ প্ৰকৃতি প্ৰেমীসকলে অভয়াৰণ্যখনৰ সুন্দৰ প্ৰাকৃতিক পৰিৱেশত পক্ষী নিৰীক্ষণকে ধৰি কেন্‌ভাছ পেইণ্টিং আদি কাৰ্যসূচীত অংশ লৈছে।

ooooo

গোলাঘাট জিলাৰ বন সংমণ্ডলে বন্যপ্ৰাণীৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকক সহজে ক্ষতিপূৰণ প্ৰদানৰ উদ্দেশ্যে ব্যতিক্ৰমী প্ৰচেষ্টা হাতত লৈছে। ইয়াৰ অংশ হিচাপে ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে মুকলি আবেদন গ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। গোলাঘাট জিলা বন বিষয়া সুশীল কুমাৰ ঠাকুৰীয়া আৰু ৰাজহ চক্ৰ বিষয়া ৰনন্ময় ভৰদ্বাজে জিলাখনৰ ভিতৰত বন্যপ্ৰাণীৰ পৰা সৰ্বাধিক ক্ষতিগ্ৰস্ত হোৱা মৰঙী মৌজাৰ বকিয়াল বন খণ্ড কাৰ্যালয়ত নিজে উপস্থিত থাকি পীড়িতসকলৰ পৰা আবেদন গ্ৰহণ কৰিছে।

ইপিনে, পশ্চিম কাৰ্বি আংলঙৰ খেৰণিত হাতী-মানুহৰ সংঘাতৰ ফলত এজন লোক নিহত হৈছে। কুঁহিয়াৰ খেতিত কাম কৰি থকা অৱস্থাত এটা বনৰীয়া হাতীৰ আক্ৰমণত লোকজন নিহত হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

শোণিতপুৰ জিলাৰ জামুগুৰিহাটতো হাতী-মানুহৰ সংঘাতে গুৰুতৰ ৰূপ লৈছে। খেতিপথাৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বন্যহস্তীৰ উপদ্ৰৱ প্ৰতিহত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে বন বিভাগক দাবী জনাইছে।

ooooo

সমাপ্ত